**(ঘ) বৈষ্ণৱ ধৰ্ম ঃ** অসমত বৈষ্ণৱ আদৰ্শৰ ঐতিহ্যও অতি প্ৰাচীন। ভাস্কৰ বৰ্মাৰ উপৰিপুৰুষ মহাভূতিবৰ্মাই নিজকে 'শ্ৰীপৰমদৈৱত পৰমভাগৱত' বুলি পৰিচয় প্ৰদান কৰা কথাষাৰ এই ক্ষেত্ৰত বেচ প্ৰণিধানযোগ্য। তান্ত্ৰিক পূজা পদ্ধতিতো বাসুদেৱক 'ওঁ নমো ভগৱতে বাসুদেৱায়', 'ওঁ নমো নাৰায়ণায়' ৰূপে পূজা কৰা হৈছে। মন কৰিবলগীয়া যে কালিকাপুৰাণত বিষ্ণু পূজাৰ যি বিধান আছে, সি তান্ত্ৰিক বিধানহে। মন্ত্ৰ, মুদ্ৰা, মণ্ডল, ন্যাস, নানাবিধ ক্ৰুৰকৰ্ম আদি তান্ত্ৰিক পূজাৰ লগৰীয়া।

বিষ্ণু বৈদিক দেৱতা, বেদত তেওঁ সূৰ্যৰে এক অভিব্যক্তি। এই বিষ্ণুৱেই কালক্ৰমত সাত্বতসকলৰ বাসুদেৱ, পঞ্চৰাত্ৰসকলৰ নাৰায়ণ, আভীৰবোৰৰ গোপাল-কৃষ্ণৰ সৈতে অভেদ হৈ শ্ৰেষ্ঠ দেৱতাৰূপে থিয় দিয়ে। খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পাণিনীৰ অষ্ঠাধ্যায়ীৰ পৰা আৰম্ভ কৰি বিভিন্ন যুগত নানা সাহিত্য শাস্ত্ৰ সকলোতে

Scanned with CamSc

বিষ্ণু নাৰায়ণ আৰু বৈষ্ণৱ সম্প্ৰদায়ৰ উল্লেখ পোৱা যায়।[৪৭] পঞ্চম শতিকাৰ কামাখ্যাৰ উমাচল শিলালিপিত সুৰেন্দ্ৰ বৰ্মাক 'ভাগৱত বলভদ্ৰস্বামিন' বুলি উল্লেখ কৰা হৈছে। বৈষ্ণৱ ধাৰণাৰ মূলমন্ত্ৰ হৈছে— 'ওঁ নমো নাৰায়ণায় বেদ্মহে, বাসুদেৱায় ধীমহি, ওঁ তন্মো বিষ্ণু প্ৰচোদয়াৎ' ইত্যাদি। প্ৰাক-শংকৰী যুগৰ ভালেমান স্থাপত্য-ভাস্কৰ্যৰ ভগ্নাৱশেষত বৈষ্ণৱ ধৰ্মৰ অৱস্থিতিৰ প্ৰমাণ পোৱা যায়। তাৰ ভিতৰত— নৱম-দশম শতিকাৰ দেওপানীৰ বিষ্ণুমূৰ্তি, দশম-একাদশ শতিকাৰ ডিব্ৰুগড়ত পোৱা পিতলৰ বিষ্ণুমূৰ্তি, শিৱসাগৰত পোৱা শিলৰ মূৰ্তি, অষ্টম-নৱম শতিকাৰ শুক্ৰেশ্বৰ বিষ্ণু-জনাৰ্দন মূৰ্তি আদিৰ উল্লেখ কৰিব পাৰি। উত্তৰ গুৱাহাটীৰ অশ্বক্লান্তৰ অনন্তশায়ী বিষ্ণু, বৰপেটাৰ চতুৰ্ভুজ বিষ্ণু মূৰ্তিৰ ভাস্কৰ্য ওখ খাপৰ। তদুপৰি হয়গ্ৰীৱ বিষ্ণু আৰু বাসুদেৱক তান্ত্ৰিক পদ্ধতিৰে পূজা কৰা হৈছিল। কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰত উক্ত বাসুদেৱ আৰু হয়গ্ৰীৱ বিষ্ণু উপাসনাৰ তান্ত্ৰিক পদ্ধতিৰ উল্লেখ আছে।[৪৮] কামৰূপৰ ধৰ্মপালৰ পুষ্পভদ্ৰা লিপিত বৰাহ-বৰাহৰূপী বিষ্ণুৰ স্তুতি কৰা দেখা যায়। কামৰূপ প্ৰাচীন তাম্ৰশাসনবোৰতো বৰাহ, নৰসিংহ, জামদগ্ন্য ৰাম, দাশৰথি শ্ৰীৰামৰ উল্লেখ পোৱা যায়। নন্দ-যশোদা, বসুদেৱ-দৈৱকী, গোপ-গোপীৰ সৈতে কৃষ্ণলীলাৰ আৰু লক্ষ্মীকথাৰো ইয়াত ইংগিত আছে। সমসাময়িক ভাস্কৰ্য-স্থাপত্যয়ো তামৰফলিৰ যুগৰ বৈষ্ণৱ ধৰ্মৰ বীজৰ অস্তিত্ব সমৰ্থন কৰে।[৪৯] শিৱসাগৰত পোৱা বিষ্ণুমূৰ্তি, কামাখ্যাৰ বেণু গোপালৰ মূৰ্তি, দেওপানীৰ ভাস্কৰ্য আদি প্ৰাচীন অসমৰ ভাস্কৰ্যৰ নিদৰ্শন। প্ৰাক-শংকৰী যুগৰ অসমীয়া কবি হেম সৰস্বতী, মাধৱ কন্দলি আৰু হৰিবৰ বিপ্ৰৰ ৰচনাতো বৈষ্ণৱ আদৰ্শৰ পৰিচয় পোৱা যায়।

অসমৰ ধৰ্মীয় ঐতিহ্যত মহাপুৰুষ শংকৰদেৱৰ ভূমিকা গুৰুত্বপূৰ্ণ। 'বহু দেৱতাৰ মাজত প্ৰধান দেৱতাৰ সন্ধান-দানৰ যোগে বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰ প্ৰতি সামাজিক চৈতন্যৰ জাগৰণ, কৰ্ম-ধৰ্মৰ বিভীষিকা নিবাৰণ, বাহ্যিক অনুষ্ঠানৰ ঠাইত বিশুদ্ধ অন্তৰক আধ্যাত্মিক উপলব্ধি প্ৰদানৰ লীলাক্ষেত্ৰ বুলি ডাঠকৈ কৰা প্ৰতিবাদন, সামাজিক শ্ৰেণীবদ্ধৰ ব্যৱধান অপসাৰণ'— এই কেইটিক বাণীকান্ত কাকতিদেৱে অসমীয়া আধ্যাত্মিক জীৱনৰ উৎকৰ্ষৰ বিষয়ত মহাপুৰুষৰ চতুৰংগ দান বুলি আঙুলিয়াই দেখুৱাইছে।

শংকৰদেৱে জাতিভেদ, বৰ্ণবৈষম্য দূৰ কৰি ভক্তিৰ যোগেদি এখন সমতাপূৰ্ণ সমাজ গঠনৰ পোষকতা কৰিছিল। মহাপুৰুষীয়া ধৰ্মৰ মূল চাৰিবস্তু হৈছে— নাম, দেৱ, গুৰু আৰু ভকত। ভক্তিৰ যোগেদি জনসাধাৰণৰ মানসিক উৎকৰ্ষ সাধনৰ উদ্দেশ্যে শংকৰদেৱে সাতজনক ধৰ্মাচাৰ্য পাতিছিল। তেওঁলোক হ'ল মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ, ৰামৰাম, নাৰায়ণদাস ঠাকুৰ আতা, মনু আৰু হৰিহৰ। শংকৰদেৱে পাতি থৈ যোৱা এই সাতোজন ধৰ্মাচাৰ্য সমান মৰ্যাদাসম্পন্ন আছিল যদিও মহাপুৰুষজনাই তিৰোভাৱৰ আগতে মাধৱদেৱক প্ৰধান ধৰ্মাচাৰ্য পাতি যোৱাত বাকীসকল ক্ষুণ্ণ হৈছিল আৰু মৰ্যাদাৰ প্ৰশ্নত সমমৰ্যাদাসম্পন্ন মাধৱদেৱক গুৰু অধিকাৰ হিচাপে স্বীকাৰ কৰিবলৈ টান পাইছিল। ফলস্বৰূপে দামোদাৰদেৱ আৰু হৰিদেৱ পূৰ্বৰ বৈষ্ণৱ পৰম্পৰাৰ পৰা কিছু আঁতৰি আহে আৰু ব্ৰাহ্মণ্য ৰীতি-নীতিক আদৰি লয়। ফলত ব্ৰাহ্মণ্য ৰীতি-নীতিৰ লগতে অন্যান্য আদৰ্শৰ প্ৰাধান্যই শংকৰদেৱৰ আদৰ্শকি বহুধা বিভক্ত ৰূপ প্ৰদান কৰে। শংকৰদেৱৰ একশৰণ আদৰ্শৰ প্ৰভাৱত বহুমুখী দৈৱশক্তি একধা বিশিষ্ট হ'লেও পৰৱৰ্তী যুগত পুনৰ একাধিক দেৱতাই মূৰ দাঙি উঠিল। দামোদৰদেৱ আৰু হৰিদেৱৰ যুটীয়া প্ৰচেষ্টাতেই ব্ৰহ্মাসংহতিৰ সৃষ্টি হয়। আহোম ৰাজত্বত ব্ৰহ্ম সংহতিৰ চাৰিসত্ৰই ৰাজসত্ৰ হিচাবে স্বীকৃতি আৰু মৰ্যাদা লাভ কৰাত ব্ৰহ্মাসংহতি গজগজীয়া হৈ পৰে আৰু উচ্চাত্মিকা বৃদ্ধি পায়, জাতিভেদ আদৰ্শ পুনৰ মূৰ দাঙি উঠাত 'একান্ত ভকতসবৰ নিৰ্গুণ কৃষ্ণৰ গুণ' তল পৰিল। গীত-মাত, ৰাগ, পয়াৰ শংকৰী পৰম্পৰাৰ পৰা আঁতৰি আহিল।[৫০] পৰৱৰ্তী কালত শংকৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰ, জী-নাতি আৰু নাতি-জোঁৱাইৰ যোগেদি বড়াসত্ৰকেইখনমানৰ ওপৰত ভিত্তি কৰি পুৰুষ সংহতিয়ে জন্ম লাভ কৰে। ইয়াৰ পাছতেই মাধৱদেৱক গুৰু আৰু শংকৰদৱেক গুৰুৰো গুৰু বুলি মানি মথুৰাদাস ঠাকুৰ আতা আদিৰ নেতৃত্বত নিকা সংহতিৰ সৃষ্টি হয়। নিকা সংহতিৰ মূলতে বৰপেটা, মধুপুৰ, কমলাবাৰী আৰু ইয়াৰ অনুগামী সত্ৰসমূহ।

মাধৱদেৱৰ আজ্ঞাপৰ ধৰ্মাচাৰ্যসকলৰ ভিতৰত উদাৰ দৃষ্টিসম্পন্ন আৰু প্ৰতিভাশালী আচাৰ্য হ'ল ভৱানীপুৰীয়া গোপাল আতা। তেওঁ উজনিৰ আহোম, কছাৰী, মৰাণ, বৰাহী, চুতীয়া, তিৱা আদি জনগোষ্ঠীৰ মাজত ধৰ্মপ্ৰচাৰৰ দায়িত্ব গ্ৰহণ কৰি অতি উদাৰ চিত্তেৰে ধৰ্মীয় আচাৰ-নীতিৰ শিথিলতাৰ যোগেদি তেওঁলোকক বৈষ্ণৱ ধৰ্মৰ সংস্পৰ্শলৈ আনিবলৈ সক্ষম হয়। গোপাল আতাৰ এনে ধৰ্মীয় উদাৰতাৰ ফলস্বৰূপেই মহাপুৰুষ মাধৱদেৱৰ জাতি-বৰ্ণহীন এখন সমতাপূৰ্ণ সমাজ গঢ়াৰ দিশটো প্ৰশস্ত হৈ উঠিল। গোপাল আতাৰ দ্বাৰা প্ৰৱৰ্তিত এই পন্থা পাছলৈ কাল-সংহতি ৰূপে সমাজত জনাজাত হ'ল। কৈৰাতমূলীয়া ধৰ্ম অৱলম্বনকাৰীসকলক ভাৰতীয় আৰ্যধৰ্মৰ সংস্পৰ্শলৈ অনাত গোপাল আতাৰ কাল-সংহতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

শংকৰদেৱে একশৰণ ভক্তিধৰ্ম প্ৰচাৰ কৰিছিল আৰু জাতিভেদ-বৰ্ণবৈষম্য দূৰ কৰি এখনি সাম্যবাদী সমাজ গঠন কৰাৰ পোষকতা কৰিছিল। সেইবাবেই তেওঁ

Scanned with CamSc

জনজাতীয় মূলৰ গাৰো, মিৰি, ভোট, নগা সকলো লোকক নৱ-বৈষ্ণৱ ভক্তিধৰ্মৰ অংশীদাৰ কৰিছিল। 'কিন্তু, শংকৰদেৱৰ পৰৱৰ্তী এশ বছৰৰ ভিতৰতে এই আদৰ্শলৈ অতীতৰ ব্ৰাহ্মণ্য পুৰোহিত শ্ৰেণীৰ উচ্চাখিক শোষণ-নিষ্পেষণৰ বা-বতাহ ব'বলৈ ধৰিলে।[৫১] 'মুক্তিতো নিস্পৃহ' ভকতৰ গুৰুত্ব কমি আহিল আৰু সমাজত বাহ্যিক আচাৰ-অনুষ্ঠানে প্ৰাধান্য লাভ কৰিলে; পুৰুষ-সংহতি আৰু নিকা সংহতি আচাৰ প্ৰধান সংহতিলৈ ৰূপান্তৰিত হ'ল আৰু ব্ৰহ্ম সংহতিত পুনৰাই ব্ৰাহ্মণ্য সংস্কৃতিয়ে প্ৰাধান্য লাভ কৰিলে। পুৰুষ সংহতিয়েও গোপনে শ্ৰাদ্ধ, পিণ্ড, লগুণ, শালগ্ৰাম আৰু গায়ত্ৰী লৈ ব্ৰাহ্মণ্য ৰীতিক আদৰণি জনালে।

মহাপুৰুষ শংকৰদেৱে জাতিভেদ অস্বীকাৰ কৰিছিল যদিও কাল সংহতিৰ বাহিৰে বাকীকেইটা সংহতিত জাত্যাভিমানে বিশেষ প্ৰাধান্য লাভ কৰিছিল। গোপাল আতাই নগা, মিৰি, আহোম, কছাৰীসকলো লোকক শৰণ দিয়াৰ বাবেই আনৰ সমালোচনাৰ সন্মুখীন হ'বলগীয়া হৈছিল।

শংকৰদেৱে নাট, ভাওনা, নৃত্য-গীত আদিৰ মাধ্যমেৰে জাতি-বৰ্ণ-সম্প্ৰদায় নিৰ্বিশেষে সকলোকে বৈষ্ণৱ ধৰ্মৰ ডোলেৰে বান্ধি ভক্তিৰ যোগেদি জনসাধাৰণৰ মুক্তিৰ পথ প্ৰশস্ত কৰিবলৈ প্ৰয়াস কৰিছিল। অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া একশৰণ ভাগৱতী ধৰ্মই বিশেষ জাগৰণৰ সূচনা কৰিছিল। সেই জাগৰণ আজিও অসমবাসীৰ মাজত বিদ্যমান।

অসমত প্ৰাপ্ত স্থাপত্য-ভাস্কৰ্যৰ আধাৰত খ্ৰীষ্টীয় নৱম শতিকামানৰ পৰাই বৈষ্ণৱ মন্দিৰ আৰু বিষ্ণুমূৰ্তিৰ নিদৰ্শন দৃষ্টিগোচৰ হয়। 'কালিকা পুৰাণ'তো তান্ত্ৰিক বিধানেৰে সম্পাদিক বিষ্ণু-পূজাৰ বিধান পোৱা যায়। 'যোগিনীতন্ত্ৰ'তে কামৰূপৰ নখন শক্তিপীঠৰ লগতে এখনি বিষ্ণুপীঠৰ উল্লেখ কৰিছে।

'বাসুদেৱ পূজাৰ বাবে তিনি প্ৰকাৰৰ মন্ত্ৰ নিৰ্দেশ কৰা হৈছে— বীজমন্ত্ৰ, অংগ-মন্ত্ৰ আৰু প্ৰত্যংগ-মন্ত্ৰ। বীজমন্ত্ৰ হ'ল— 'ওঁ নমো নাৰায়ণায়'। অংগমন্ত্ৰ দ্বাদশাক্ষৰ 'ওঁ' নমো ভগৱতে বাসুদেৱায়; প্ৰত্যংগ-মন্ত্ৰ অষ্টাদশাক্ষৰ 'ওঁ নমো বিষ্ণু সুৰপতয়ে মহাবলায় স্বাহা'[৫২] 'কালিকাপুৰাণ'ত মণিকূট গিৰিৰ ওপৰত হয়গ্ৰীৱৰূপে বিষ্ণুৰ অধিষ্ঠানৰ কথা উল্লিখিত হৈছে আৰু এঠাইত হয়গ্ৰীৱ বিষ্ণুৱে জৰাসুৰক বধ কৰা আৰু আন এঠাইত হয়গ্ৰীৱ অসুৰক বধ কৰাৰ কথা বৰ্ণনা কৰা হৈছে।

যোগিনীতন্ত্ৰত বিষ্ণুক জনাৰ্দন বুলি কৈ পুনৰ তেওঁৰ তিনিখন ক্ষেত্ৰৰ উল্লেখ কৰা হৈছে— অশ্বক্লান্তত কহ্কাৰূপে জনাৰ্দন, নন্দন পৰ্বতৰ পশ্চিমে বৌদ্ধ জনাৰ্দন আৰু হাজোত হয়গ্ৰীৱ জনাৰ্দন।[৫৩]

'কালিকাপুৰাণ'তো ভালেমান বিষ্ণু-মাহাত্ম্যসূচক উক্তি সন্নিবিষ্ট হৈছে।[৫৪] অনুৰূপভাৱে যোগিনীতন্ত্ৰতো আছে ঠাইত বিষ্ণুৰ শ্ৰেষ্ঠত্ব ঘোষিত হৈছে।

*'কামৰূপে যথা বিষ্ণুঃ সৰ্বশ্ৰেষ্ঠো মহেশ্বৰি।*
*কামৰূপে তথা দেৱীপূজা সৰ্কোত্তমা স্মৃতা।।'* [৫৫]
*'যথা নাৰায়ণো শ্ৰেষ্ঠো দেৱানাং পুৰুষোত্তমঃ।* [৫৬]

সংহিতাবোৰত বৈষ্ণৱসকলৰ বিশ্বাস আৰু কাৰ্যাৱলীৰ বৰ্ণনা লিপিবদ্ধ হৈছে। এইবোৰক বৈষ্ণৱসকলৰ কল্পসূত্ৰ আখ্যা দিব পাৰি। ভাণ্ডাৰকাৰে নাৰদ-পঞ্চৰাত্ৰৰ প্ৰসংগ উল্লেখ কৰি কৈছে যে— 'যিবোৰ মত পুৰণি পঞ্চৰাত্ৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত, গোপাল-কৃষ্ণ ৰূপটো তাৰ অংগীভূত নহয়। যি ধৰ্মক ভাগৱদগীতাই ব্যাখ্যা কৰিছে, সেয়ে ঐকান্তিক ধৰ্ম বা একেশ্বৰবাদ; কিন্তু পঞ্চৰাত্ৰ পদ্ধতিত যদিও বাসুদেৱৰ পূজা বিহিত আছে, আৰু যদিও বা ভক্তি উভয়তে বৰ্তমান, তথাপি পঞ্চৰাত্ৰ পদ্ধতি আৰু ভাগৱদগীতাৰ মাজত কোনো মৌলিক সম্বন্ধ দেখা নাযায়।'[৫৭]

দাক্ষিণাত্যৰ বৈষ্ণৱমতৰ সৈতে অসমৰ নৱ-বৈষ্ণৱ ধৰ্মমতৰ সাদৃশ্যৰ বিষয়ে ক'বলৈ গৈ বাণীকান্ত কাকতিয়ে দেখুৱাইছে যে শংকৰদেৱে কীৰ্তনত 'সকলো অৱতাৰৰ কাৰণ স্বৰূপ নাৰায়ণক প্ৰণাম কৰাৰ দৰেই দাক্ষিণাত্যৰ বৈষ্ণৱমততো ইয়াৰ ভক্তসকলক নাৰায়ণৰ বাহিৰে আন দেৱতাক পূজা কৰিবলৈ নিষেধ কৰিছিল। এই নাৰায়ণ উপনিষদৰ সকলোৰে আদি কাৰণ।'[৫৮] শংকৰদেৱৰ ধৰ্মমতত নাৰায়ণ চৈতন্যময় শুদ্ধৰূপ হৰি আৰু তেৱেঁই 'সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ।'[৫৯] শংকৰদেৱৰ চাৰি নামৰ মন্ত্ৰতো ৰামানুজৰ 'নাৰায়ণ' আৰু বিষ্ণুস্বামীৰ তিনি নামৰ মন্ত্ৰ 'ৰাম কৃষ্ণ হৰি'ৰ সংমিশ্ৰণ যেন অনুমান হয়।'[৬০]

Scanned with CamSc